আমাৰ অসম

গুৱাহাটী, শনিবাৰ ■ ৯ ফাগুন, ১৯৪৬ শক
■ ২২ ফেব্ৰুৱাৰী ২০২৫

# দিছপুৰ কলেজত মাতৃভাষা দিৱস পালন

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ২১ ফেব্ৰুৱাৰী ঃ গুৱাহাটীৰ দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু জোনাকী কাৰেঙৰ যুটীয়া উদ্যোগত শুকুৰবাৰে আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ সৈতে সংগতি ৰাখি 'অসমীয়া ভাষাৰ উপভাষা' শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ নৰজ্যোতি বৰাই বন্তি প্ৰজ্জ্বলন কৰি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ ওপৰত সাৰুৱা বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মুখ্যবক্তা হিচাপে উপস্থিত থাকে কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ডঃ দিলীপ ৰাজবংশীক। অসমীয়া ভাষাৰ উপভাষা শীৰ্ষক বক্তৃতা প্ৰদান কৰি ড° ৰাজবংশীয়ে মাতৃভাষাৰ গুৰুত্বৰ লগতে অসমীয়া উপভাষাৰ বিস্তৃত বিৱৰণ তথ্যসহ বৰ্ণনা কৰে। বিভাগৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানটো আঁত ধৰে চন্দন কলিতাই। শেষত উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলে জাতীয় সংগীত পৰিৱেশন কৰে। ধ্ৰুৱজ্যোতি বৰ্মনে শলাগৰ শৰাই আগবঢ়ায়।